**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-01-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

----------------------

ৰাজ্য চৰকাৰে ঔদ্যোগীক অংশীদাৰ ফিক্কিৰ সহযোগত আজি মুম্বাইত এটা বিশেষ ৰোড শ্ব'ৰ আয়োজন কৰিছে। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত ৰাজ্যখনত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ এডভাণ্টেজ আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি শীৰ্ষ সন্মিলন ২০২৫ৰ এটি পূৰ্বভাষৰূপে এই ৰোড শ্ব'ৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ৰোড শ্ব'ৰ নেতৃত্ব দিব।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি মুম্বাইত দেশৰ ব্যৱসায়িক ক্ষেত্ৰৰ কেইবাগৰাকীও গুৰুত্বপূৰ্ণ ব্যক্তিক সাক্ষাৎ কৰি অসমত তেওঁলোকৰ বিনিয়োগ পৰিকল্পনা আৰু অন্যান্য দিশসমূহ আলোচনা কৰে। ড০ শৰ্মাই এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ তেওঁলোকক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে টাটা গোট, লাৰ্চেন এণ্ড টাৰ্বো, মহিন্দ্ৰা গোট আৰু আদানী এয়াৰপোৰ্টৰ দৰে বিশিষ্ট উদ্যোগপতি আৰু উদ্যোগজগতৰ কেইবাগৰাকীও নেতাৰ সৈতে আলোচনাত মিলিত হয়। ইয়াৰ উপৰি ছান ফাৰ্মা, লক্ষ্মী টি, H U L, ৱেলস্পুন গ্ৰুপ আৰু আন আন প্ৰতিষ্ঠানৰ নেতাসকলকৰ সৈতে অসমত কৌশলগত বিনিয়োগৰ বাবে উপায় বিচাৰি তেওঁ আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ বিস্তৃত বিনিয়োগ সম্ভাৱনা উদঘাটন কৰাৰ বাবে সহায় আগবঢ়াবলৈও তেওঁলোকক অনুৰোধ জনায়। ড০ শৰ্মাই কালি এইচ ডি এফ চি বেংকৰ মুখ্য কাৰ্যবাহী বিষয়া শশীধৰ জগদিশনক সাক্ষাৎ কৰি প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাক অগ্ৰাধিকাৰ দি ৰাজ্যখনৰ অৰ্থনীতি সবল কৰাৰ দিশত চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাসমূহৰ বিষয়ে তেওঁক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰে দক্ষ আৰু অনুশাসন মানি চলা কৰ্মশক্তিৰ জৰিয়তে দেশৰ ক্ৰমবৰ্ধমান বেংকিং উদ্যোগক কেইবাটাও সুযোগ প্ৰদান কৰি আহিছে।

oooooo

অসম চৰকাৰে অহা ১৭ জানুৱাৰীত চলিত বছৰৰ শিল্পী দিৱসৰ সৈতে সংগতি ৰাখি শিল্প সংস্কৃতি আৰু সমাজ জীৱনলৈ অনবদ্য অৱদান আগবঢ়োৱা ৫ গৰাকী বিশিষ্ট ব্যক্তিক শিল্পী বঁটা, নটসূৰ্য ফণী শৰ্মা বঁটা আৰু সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটাৰে সন্মানিত কৰিব।

বিশিষ্ট কণ্ঠশিল্পী ড০ অনিমা চৌধুৰী আৰু লোকশিল্পী মুকুল ৰাভাক ২০২৫ বৰ্ষৰ শিল্পী বঁটা প্ৰদান কৰা হ'ব। কেইবাখনো অসমীয়া চলচ্চিত্ৰ আৰু বহু জনপ্ৰিয় গীতত কণ্ঠদান কৰা ড০ অনিমা চৌধুৰী আকাশবাণী আৰু দূৰদৰ্শনৰ এ-গ্ৰেড স্বীকৃতিপ্ৰাপ্ত শিল্পী। তেওঁ অসমৰ লোক গীত-মাতসমূহ সুৱদি কণ্ঠৰেৰে পৰিৱেশন কৰি শ্ৰোতা ৰাইজক মুগ্ধ কৰি আহিছে। একেদৰে কেইবাখনো ৰাভা লোক সংগীতৰ শ্ৰব্য গীতৰ সঁফুৰাত কণ্ঠদান কৰা মুকুল ৰাভাই ৫খন গ্ৰন্থ ৰচনাৰে সাহিত্যৰ ভঁৰালো সমৃদ্ধ কৰিছে।

২০২৪ বৰ্ষৰ নটসূৰ্য ফণী শৰ্মা বঁটা বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনলৈ আগবঢ়োৱা হ'ব। ভালেসংখ্যক চলচ্চিত্ৰত অভিনয়েৰে দৰ্শকৰ সুপৰিচিত ৰেবা ফুকনে ভ্ৰাম্যমান নাটকত শক্তিশালী অভিনয়েৰে অগণন দৰ্শকক মোহিত কৰি ৰাখিছে। সাহিত্যচাৰ্য অতুল চন্দ্ৰ বঁটা প্ৰবীন অভিনেত্ৰী হিৰা নেওগক প্ৰদান কৰা হ'ব। অভিনেত্ৰীগৰাকীয়ে কেইবাখনো অসমীয়া চলচ্চিত্ৰ আৰু নাটকত অনবদ্য অভিনয়েৰে ৰাজ্যখনৰ অভিনয়ক্ষেত্ৰক

সমৃদ্ধ কৰিছে। ভীমবৰ দেউৰী বঁটা বিশিষ্ট সমাজকৰ্মী জলেশ্বৰ ব্ৰহ্মক প্ৰদান কৰা হ'ব। শ্ৰীব্ৰহ্মই নিজৰ অৱদানেৰে সমাজখনলৈ যথেষ্ট অৰিহণা যোগাই আহিছে বুলি সংবাদমেলত মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

চৰাইদেউ জিলাৰ সোণাৰিৰ ভোজো মাজ পথাৰত তিনি দিনীয়া কাৰ্যসূচীৰে আয়োজিত টাই-আহোম যুৱ পৰিষদৰ ষষ্ঠ কেন্দ্ৰীয় অধিৱেশনৰ কালি সামৰণি পৰে। কালিৰ অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই অংশগ্ৰহণ কৰে। নিজৰ ভাষণত শ্ৰী মাৰ্ঘেৰিটাই কয়, যে বহু বীৰ বীৰাংগণাৰ বীৰত্বৰ স্মৃতি গাঁথা, সংগ্ৰাম তথা শৌৰ্য্য-বীৰ্যৰে আহোমৰ ইতিহাস সমৃদ্ধ। এনে চহকী ইতিহাসৰ সংৰক্ষণ আৰু সন্মানাৰ্থে অসম চৰকাৰে উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। অন্তিম দিনা সোণাৰী ৰাজহুৱা খেলপথাৰৰ পৰা বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। নিশাৰ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা অধিৱেশনৰ প্ৰতিনিধি সভা আৰু বিষয় বাচনি সভাৰ সিদ্ধান্ত অনুসৰি ৫১ জনীয়া সদস্যৰে নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

০০০০০০

গোলাঘাট জিলাৰ মেৰাপানীৰ তৰাণী কল্যাণপুৰত গোলাঘাট আৰক্ষীয়ে নিশা অভিযান চলাই বিনোদ বৰুৱা নামৰ এজন লোকৰ বাসগৃহৰ পৰা এটা গড়ৰ খৰ্গসহ চাৰিজন সন্দেহযুক্ত সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীৰ অভিযানত জব্দ কৰা খৰ্গটোৰ ওজন প্ৰায় ডেৰ কিলোগ্ৰাম বুলি জানিব পৰা গৈছে। আটক কৰা সন্দেহযুক্ত সৰবৰাহকাৰীকেইজনৰ নাম বিনোদ বৰুৱা, ফাৰুক আলী, নুৰ জামান আৰু ৰূপম বৰুৱা বুলি আৰক্ষীয়ে সদৰি কৰিছে।

০০০০০০

যোৰহাট দৃষ্টিহীন বিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে যোৱা ৩ আৰু ৪ তাৰিখে দৃষ্টিবাধাগ্ৰস্তসকলৰ শিক্ষা পদ্ধতিৰ উদ্ভাৱক লুই ব্ৰেইলৰ জন্মদিন উদযাপন কৰা হয়। লুই ব্ৰেইল উদযাপন সমিতিৰ উদ্যোগত অনুষ্ঠিত কাৰ্যসূচীত অঞ্চলটোৰ বিভিন্ন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত আয়োজকসকলে এই দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ব্ৰেইল ৰাইটিং, কুইজ প্ৰতিযোগিতা, কবিতা আবৃত্তি, দেশপ্ৰেমমূলক গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

০০০০০০

শিৱসাগৰ নগৰৰ সমীপৰ বেটবাৰী কাকতিগাঁৱত এঘৰ লোকৰ চৌহদৰ ভিতৰত স্থাপন কৰা ডিজেলভৰ্তি এটা চিনটেক্সৰ পৰা এজন যুৱকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। শিৱসাগৰ সদৰ আৰক্ষী আৰু দণ্ডাধীশৰ উপস্থিতিত উদ্ধাৰ কৰা মৃতদেহটো বেটবাৰী কাকতিগাঁৱৰ ক্ষণিক বৰুৱাৰ বুলি চিনাক্ত কৰা হৈছে। ঘটনা সন্দৰ্ভত শিৱসাগৰ আৰক্ষীয়ে তদন্ত চলাই আছে।

০০০০০০

সমাপ্ত